# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-09-2024
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::::::::::**

ৰাজ্যৰ ভিন ভিন জিলাত আজি পুৱা হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰীক্ষাৰ বাবে সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসকলৰ অধিকাংশই নিজ নিজ গৃহ চহৰৰ পৰা ৰাওনা হৈ ইতিমধ্যে পৰীক্ষা কেন্দ্ৰসমূহৰ আশে-পাশে উপস্থিত হৈছে।

ৰাজ্যৰ মুঠ দুহেজাৰ ৩০৫ টা কেন্দ্ৰত হ'বলগীয়া এই পৰীক্ষাত ১১ লাখ ২৩ হাজাৰ ২০৪ প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। এই নিযুক্তি পৰীক্ষাৰ বাবে প্ৰতিখন জিলা প্ৰশাসনে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে আইন শৃংখলাৰ দিশটোতো গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ হৈ অসম মাধ্যমিক শিক্ষা পৰিষদ ছেৱাই আয়োজন কৰা এই পৰীক্ষাৰ সমগ্ৰ প্ৰক্ৰিয়াটোক কোনো অসাধু চক্ৰই কোনো ধৰণে অস্থিৰ কৰি তোলাটোক প্ৰতিহত কৰাৰ উদ্দেশ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই অনুসৰি পৰীক্ষাৰ সময়ছোৱাত অৰ্থাৎ আজি দিনৰ ১০ বজাৰ পৰা বিয়লি ডেৰ বজালৈ কেন্দ্ৰসমূহৰ আশে-পাশে ম'বাইল ইণ্টাৰনেট, ৱাই-ফাই আদি সংযোগ বন্ধ থাকিব। তৃতীয় বৰ্গৰ পদৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ সচিবৰ এখন বিজ্ঞপ্তিত যিকোনো ধৰণৰ অসামাজিক তথা ভুৱা বাতৰিত ভোল নাযাবলৈ ৰাইজক আহ্বান জনোৱা হৈছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ মন্ত্ৰালয়ৰ অধীনস্থ বন উপদেষ্টা পৰিষদে ৰাজ্যৰ গিবন অভয়াৰণ্যত তৈল খননৰ অনুমতি প্ৰদান কৰে। বেদান্ত তেল আৰু গেছ কোম্পানীক গিবন অভয়াৰণ্যৰ ৪ দশমিক ৪-৯ হেক্টৰ ভূমিত তৈল খননৰ অনুমতি প্ৰদান কৰিছে। যোৰহাটৰ হোলোঙাপাৰৰ গিবন অভয়াৰণ্যত বেদান্তক তৈল খনন চলোৱাৰ বাবে প্ৰথম পৰ্যায়ৰ সেউজ সংকেত প্ৰদান কৰে কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰালয়ে। উল্লেখ্য যে ভাৰতৰ একমাত্ৰ হলৌ বান্দৰৰ লগতে কেইবাবিধো দুষ্প্ৰাপ্য বন্য জীৱজন্তুৰ আৱাসভূমি বুলি পৰিচিত গিবন অভয়াৰণ্যখনত বেদান্ত তৈল খননক ইতিমধ্যে ৰাজ্য চৰকাৰৰ মুখ্য বন সংৰক্ষক আৰু মুখ্য বন্যপ্ৰাণী সংৰক্ষকে অনুমোদন দিছে। ৰাজ্য চৰকাৰক অনুমোদনৰ ভিত্তিতেই কেন্দ্ৰীয় চৰকাৰৰ বন উপদেষ্টা পৰিষদে অনুমোদন দিয়া বুলি প্ৰকাশ কৰা হৈছে। উল্লেখ্য যে বিগত ২৭ আগষ্টত ৰাজ্যৰ মুখ্য বন্যপ্ৰাণী সংৰক্ষক আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ মন্ত্ৰালয়ৰ মাজত অনুষ্ঠিত বৈঠকত গিবন অভয়াৰণ্য বেদান্ত তৈল খননক অনুমোদন দিয়া হৈছিল।

০০০০০০০

দূৰদৰ্শনে আজি নিজৰ গৌৰৱময় যাত্ৰাৰ ৬৫ বছৰ সম্পূৰ্ণ কৰিছে। ১৯৫৯ চনৰ ১৫ ছেপ্টেম্বৰত প্ৰতিষ্ঠা হোৱা দূৰদৰ্শনৰ জৰিয়তে ভাৰতে সম্প্ৰচাৰ যুগৰ পাতনি মেলিছিল। সেই সময়ৰ ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদে আনুষ্ঠানিক ভাবে দূৰদৰ্শনৰ এই যাত্ৰাৰ শুভাৰম্ভ

কৰিছিল। ১৯৭৫ চনলৈকে দূৰদৰ্শন অল ইণ্ডিয়া ৰেডিঅ'ৰ এটা অংশ আছিল। ১৯৭৬ চনৰ ১ এপ্ৰিলত ই তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ এটা সুকীয়া বিভাগলৈ ৰূপান্তৰিত হয় আৰু পিছলৈ প্ৰসাৰ ভাৰতীৰ অধীনলৈ আহে। আজিও দূৰদৰ্শন ভাৰতৰ সৰ্ববৃহৎ সম্প্ৰচাৰ সত্তা হিচাপে পৰিচিত হৈ আছে।

০০০০০০০

তেজপুৰৰ জীয়াভৰলীৰ ভয়াভহ খহনীয়াৰ বাবে ভোমোৰাগুৰি সংৰক্ষিত বনাঞ্চলৰ বাবে ভাবুকি আহিছে। নৈখনৰ বিধবংসী খহনীয়াৰ কবলত পৰিছে ভোমোৰাগুৰি সংৰক্ষিত বনাঞ্চলৰ এটা অংশ। জীয়াভৰলীৰ ভোমোৰাগুৰি পাহাৰ তথা সংৰক্ষিত বনাঞ্চলৰ সমীপৰে বৈ অহা পানীৰ ঢলে বিস্তীৰ্ণ অঞ্চল খহাই নিছে। জীয়াভৰলী যি স্থানত ব্ৰহ্মপুত্ৰত বিলিন হৈছে সেই স্থানৰ নিলগত বিভিন্ন স্থানত প্ৰবল খহনীয়াৰ সৃষ্টি হৈছে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে চৰাইদেউ জিলাৰ চাৰিমুঠীয়া গোসাঁই হাবি অঞ্চলত কালি কৰম পূজা উদযাপন কৰা হয়। অঞ্চলটোত আয়োজিত এই কৰম পূজাত বহুলোকে অংশগ্ৰহণ কৰে। ভাদ মাহৰ শুক্লা একাদশী তিথিত উদযাপন কৰা এই কৰম পূজা **ৰাস কৰম, ডাল কৰম** বুলিও জনা যায়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বিশ্বনাথ, ডিব্ৰুগড়, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০০

সমাপ্ত